**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-Aug-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাজ্যত উচ্ছেদ অভিযান চলোৱা স্থানৰ ভোটাৰ তালিকাৰ পৰা উচ্ছেদিত লোকসকলৰ নাম কৰ্তন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। মুম্বাইৰ কোলাবাৰৰ ৪ বিঘা ভূমিত অসম চৰকাৰৰ নিজা চৌহদ স্থাপন কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ঘোষণা।

৩। ছেপ্তেম্বৰৰ দ্বিতীয় সপ্তাহত আইজলৰ পৰা যাত্ৰীবাহী ৰে'ল যোগাযোগৰ শুভাৰম্ভ।

৪। আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি। হৰিনামৰ ধ্বনিৰে মুখৰ ৰাজ্যৰ সত্ৰ-নামঘৰ।

**আৰু**

৫। কমনৱেল্‌থ ভাৰোত্তোলন প্ৰতিযোগিতাত আজি ল'ৰাৰ যুৱ শাখাৰ ৫৬ কিলোগ্ৰাম শাখাত অসমৰ ধৰ্মজ্যোতি দেওঘৰীয়াৰ খেল।

০০০০০০

ৰাজ্যত উচ্ছেদ অভিযান চলোৱা স্থানৰ ভোটাৰ তালিকাৰ পৰা উচ্ছেদিত লোকসকলৰ নাম কৰ্তন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণ কৰি কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে যি স্থানত উচ্ছেদ অভিযান চলোৱা হৈছে সেই ঠাইৰ পৰা উচ্ছেদিত লোকসকলৰ ভোটাৰ তালিকাত নাম কৰ্তন কৰা হ'ব। নামনি আৰু মধ্য অসমৰ দৰে উজনি আৰু উত্তৰ অসম যাতে শেষ হৈ নাযায় তাৰ বাবে ৰাজ্য চৰকাৰে চেষ্টা চলাই থকা বুলিও মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে চলাই থকা উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ অন্যান্য স্থানৰ লগতে মাৰ্ঘেৰিটাতো উচ্ছেদ অভিযান চলোৱাৰ বাবে ইতিমধ্যে পৰিকল্পনা কৰা হৈছে। এই সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে আলোচনা কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰিছে। আনহাতে তিৰাপ ট্ৰাইবেল বেল্ট আৰু ব্লকক কেন্দ্ৰ কৰি শেহতীয়াকৈ অব্যাহত থকা চৰ্চা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয়, মাৰ্ঘেৰিটা সমষ্টিত মৰাণ, মটক, গোৰ্খা, কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোক বহু দিনৰ পৰা আছে। এই লোকসকলক ভূমিৰ অধিকাৰ নিদিলে অঞ্চলটোত এদিন বিক্ষোভৰ অগনি জ্বলিব বুলিও তেওঁ কয়। জনজাতীয় লোকসকলৰ ভূমি সুৰক্ষিত হৈ থকাৰ লগতে ভৱিষ্যতেও সুৰক্ষিত হৈ থাকিব বুলি উল্লেখ কৰি তেওঁলোকৰ ভূমিত কোনো অসুবিধা নহয় বুলি মুখ্যমন্ত্ৰী স্পষ্ট কৰি দিছে। জনজাতি আৰু অসমৰ খিলঞ্জীয়া জাতিসত্বা এক হৈ থাকিব পাৰিলেহে অসমখন বচাব পৰা যাব বুলি তেওঁ উল্লেখ কৰিছে। ইপিনে মুখ্যমন্ত্ৰীয়ে অহা ১ নৱেম্বৰৰ পৰা ৰেচন কাৰ্ডৰ জৰিয়তে বিনামূলীয়া চাউলৰ উপৰি সুলভ মূল্যত দাইল, চেনি আৰু নিমখ প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০

মুম্বাইৰ কোলাবাৰ অভিজাত অঞ্চলৰ ৪ বিঘা ভূমি মুম্বাই কৰ্তৃপক্ষই অসম চৰকাৰক ৬০ বছৰৰ বাবে লীজত দিছে। দেশৰ বাণিজ্যিক ৰাজধানীখনত অসমৰ জনসাধাৰণৰ বাবে যাৱতীয় ৰাজহুৱা আন্তঃগাঁথনিৰ বিকাশ তথা সুচল

ব্যৱস্থা গঢ়ি তোলাৰ বাবে অসম চৰকাৰে এই ভূমিত এটা নিজা চৌহদ স্থাপন কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এখন সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে মুম্বাই চহৰলৈ অহা অসমৰ উদ্যোগী, ছাত্ৰ-ছাত্ৰী, ৰোগী তথা অন্যান্য লোকসকল উপকৃত হ'ব। শ্ৰীসোণোৱালে এই ভূমিত স্থাপন হ'বলগীয়া কেন্দ্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত নতুন গতি প্ৰদান কৰাৰ লগতে জনকল্যাণমূলক সুবিধাসমূহ তৃণমূল পৰ্যায়লৈ লৈ যোৱাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

উল্লেখযোগ্য যে অসমৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া প্ৰয়োজন পূৰণৰ বাবে এটা কেন্দ্ৰ নিৰ্মাণৰ বাবে ভূমি বিচাৰি অসম চৰকাৰৰ মুখ্য সচিবে এখন লিখিত আবেদন প্ৰেৰণ কৰিছিল। এই আবেদনৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় চৰকাৰে ৪ বিঘা ভূমি লীজত দিয়াৰ সিদ্ধান্ত লয়।

০০০০০০

দেশৰ ৰে'ল মানচিত্ৰত মিজোৰামৰ ৰাজধানী আইজল অন্তৰ্ভুক্ত হৈছে। আইজলৰ নিকটৱৰ্তী ছাইৰাঙৰ পৰা দেশৰ বাকী অংশলৈ যাত্ৰীবাহী ৰে'লৰ চলাচল আনুষ্ঠানিকভাৱে আৰম্ভ হ'বলৈ প্ৰায় এপষেকহে বাকী। এই ৰে'লপথৰ বিষয়ে আমাৰ এক বিশেষ প্ৰতিবেদন–

**(বাইট ঃ ৰাজীৱ লোচন বৰঠাকুৰ)**

০০০০০০

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাব তিথি। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহত এক শৰণ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক গুৰুজনাক স্মৰণ কৰি নাম-কীৰ্তন পৰিৱেশন কৰাৰ লগতে বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হৈছে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত যোৱা ১৯ আগষ্টৰ পৰা আয়োজন কৰা গুৰুজনাৰ কীৰ্তন মহোৎসৱৰ আজি মূল সবাহ অনুষ্ঠিত হ'ব। তিৰোভাব তিথি উপলক্ষে বৰপেটাৰ বৃন্দাবন হাটীৰ ভকতবৃন্দই বিয়লি বৰপেটা সত্ৰত কৰভাৰ প্ৰদান কৰিব। এই উপলক্ষে বৃন্দাবন হাটীৰ হাটীয়াৰ ঘৰৰ পৰা ওজাপালি, গায়ন-বায়ন, নাম-কীৰ্তনীয়া দলে সত্ৰীয়া পৰম্পৰা অনুসৰি শোভাযাত্ৰা কৰি তেল, নিমখ, ঔটেঙা, চাউল, কোমোৰা আদি কৰভাৰ প্ৰদান কৰিব। এই সন্দৰ্ভত আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয়–

***(বাইট ঃ অৰূপজ্যোতি মহন্ত)***

একেদৰে পাটবাউসী থানতো এই তিথি পালন কৰা হৈছে।

মাজুলীতো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ-নামঘৰসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ অমিয়া ধ্বনিৰে আকাশ-বতাহ মুখৰ হৈ পৰিছে। গোৱালপাৰাৰ বগুৱানৰ শ্ৰীশ্ৰী হাটী সত্ৰ আৰু শ্ৰীশ্ৰী শ্যামৰায় সত্ৰত গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হৈছে। বজালী জিলাৰ ভৱানীপুৰ সত্ৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিৰোভাব তিথি উপলক্ষে সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

০০০০০০

ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, স্বাধীনতা যুঁজাৰু, বিশিষ্ট সমাজবাদী নেতা গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ অনুষ্ঠান অহা ৩১ আগষ্টৰ বিয়লি কটন বিশ্ববিদ্যালয়ত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। ইতিমধ্যে জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ বাবে গোলাপ বৰবৰা জন্ম শতবৰ্ষ উদযাপন সমিতিয়ে প্ৰস্তুতি অব্যাহত ৰাখিছে। গুৱাহাটীত কালি অনুষ্ঠিত এখন সংবাদমেলত সমিতিৰ বিষয়ববীয়াই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত

ৰাইজক অৱগত কৰে। সমিতিয়ে প্ৰকাশ কৰা অনুসৰি ৩১ আগষ্টৰ বিয়লি গোলাপ বৰবৰা স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে এই কাৰ্যসূচী আৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে চলিত বৰ্ষৰ নৱেম্বৰ-ডিচেম্বৰত নতুন দিল্লীত গোলাপ বৰবৰা জন্ম শতবৰ্ষৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

০০০০০০

শ্ৰীভূমি আৰক্ষীয়ে যোৱা নিশা মাদকদ্ৰব্য বিৰোধী দুটা পৃথক অভিযানত ২০ হাজাৰ য়াবা টেবলেট জব্দ কৰে। জব্দ কৰা টেবলেটখিনিৰ বজাৰ মূল্য তিনি কোটি টকাৰো অধিক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই সংক্ৰান্তত দুজন লোকক আটক কৰে।

০০০০০০

আহমেদাবাদত অনুষ্ঠিত কমনৱেল্‌থ ভাৰোত্তোলন প্ৰতিযোগিতাত আজি ল'ৰাৰ যুৱ শাখাৰ ৫৬ কিলোগ্ৰাম শাখাত অসমৰ ধৰ্মজ্যোতি দেওঘৰীয়া অৱতীৰ্ণ হ'ব। কালি আৰম্ভ হোৱা প্ৰতিযোগিতাত ভাৰতীয় দলৰ হৈ অসমৰ পাঁচগৰাকী প্ৰতিভাৱান খেলুৱৈয়ে অংশ লৈছে। প্ৰতিযোগিতাৰ ৫৮ কিলোগ্ৰাম শাখাত ভাবনা গগৈ, ৭১ কিলোগ্ৰাম শাখাত হেমন্ত দৈমাৰী আৰু অভিনৱ গগৈ আৰু ৭৯ কিলোগ্ৰাম শাখাত বেদব্ৰত ভৰালীয়ে অংশগ্ৰহণ কৰিছে। অসম ভাৰোত্তোলন সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতিযোগী কেইগৰাকীলৈ শুভেচ্ছা জনাইছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলত প্ৰশাসনে চলাই থকা উচ্ছেদ অভিযানৰ পাছত উচ্ছেদিত লোকসকলক সেই অঞ্চলৰ ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ।

অসমক অস্থিৰ কৰি তুলিবলৈ চেষ্টা কৰা কিছু লোকৰ বিৰুদ্ধে কঠোৰ সকিয়নি দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে প্ৰশাসনে এনে লোকসকলক নজৰত ৰাখিছে। বাতৰিটো দ্যা ছেণ্টিনেল কাকতৰ।

অসমৰ ৪২ দশমিক ৯-৪ শতাংশ শিশু পুষ্টিহীনতাত আক্ৰান্ত বুলি মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ তথ্যত উন্মোচিত হৈছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

বিশ্ব অৰ্থনীতি প্ৰবাহ সলনি কৰিব পৰা শক্তিৰ অধিকাৰী হৈছে ভাৰত। ভাৰতে অচিৰেই ১০০ খন দেশলৈ ইলেক্‌ট্ৰনিক বাহন ৰপ্তানি কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দাবীৰে দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ-নামঘৰসমূহ হৰিনাম ধ্বনিৰে মুখৰ হৈ পৰিছে। বাতৰিটো দৈনিক অসম কাকতৰ লগতে অন্যান্য কাকতে প্ৰকাশ কৰিছে।

তামুলপুৰত গাড়ী দুৰ্ঘটনাৰ পাছত দলবদ্ধ প্ৰহাৰৰ ঘটনাত যুৱকৰ মৃত্যু হোৱাৰ বাতৰিটো আমাৰ অসম কাকতৰ লগতে আটাইকেইখন কাকতে প্ৰকাশ কৰিছে।

বনাঞ্চল দখলেৰে মধ্যপ্ৰদেশৰ পাছতে দেশৰ ভিতৰত অসম দ্বিতীয় স্থান আছে। অসমৰ তিনিলাখ ৬২ হাজাৰ ৯০ হেক্টৰ বনাঞ্চলৰ ভূমি বেদখলকাৰীৰ হাতত থকা বুলি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী ৰঙা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ কৰিবলৈ যোৱা অসমৰ দলক অৰুণাচলীয়ে আক্ৰমণ কৰে। বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে জানুৱাৰীৰ পৰা নতুন শৈক্ষিক বৰ্ষ শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে। এই অনুসৰি ডিচেম্বৰত সকলো বিদ্যালয়ৰ বছৰেকীয়া পৰীক্ষা সমাপ্ত কৰিব লাগিব।

০০০০০০

নামনি মাজুলীৰ চেলেকঘাটত আজি পুৱা অগ্নিকাণ্ড ঘটনা সংঘটিত হয়। এই অগ্নিকাণ্ডৰ ফলত তিনিখন দোকানৰ ৪ লক্ষাধিক টকাৰ সা-সম্পত্তি নষ্ট নহয়। শ্বৰ্ট চাৰ্কিটৰ ফলতে অগ্নিকাণ্ড সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত